# বিভিন্ন দুৰ্যোগৰ বিপৰীতে পোৱা ক্ষতিপূৰণ

১/ দুৰ্যোগৰ সময়ত দিয়া সাহাৰ্য্য সামগ্ৰী (দৈনিক প্ৰতিজন ব্যক্তিক):-

| | |
|---|---|
| ক) চাউল | :- ৬০০ গ্ৰাম (১২ বছৰ উৰ্দ্ধৰ ব্যক্তিৰ বাবে) |
| | :- ৪০০ গ্ৰাম (১২ বছৰ বয়সলৈ) |
| খ) দাইল | :- ১০০ গ্ৰাম |
| গ) নিমখ | :- ৩০ মিঃগ্ৰাম |
| ঘ) মিঠাতেল | :- ৩০ মিঃলিটাৰ |
| ঙ) চিৰা | :- ৬০০ গ্ৰাম (১২ বছৰ উৰ্দ্ধৰ ব্যক্তিৰ বাবে) |
| | :- ৪০০ গ্ৰাম (১২ বছৰ বয়সলৈ) |
| চ) গুৰ | :- ১০০ গ্ৰাম |

২/ দুৰ্যোগত ক্ষতি হলে (প্ৰত্যেক পৰিয়ালক):-

| | |
|---|---|
| ক) কাপোৰৰ বাবে | :- ২,৫০০/- টকা |
| খ) বাচন-বৰ্তন আদিৰ বাবে | :- ২,৫০০/- টকা |
| **৩/ দুৰ্যোগত মৃত্যু হলে** | :- ৪,০০,০০০/- টকা (চাৰি লাখ) |
| ৪/ দুৰ্ঘটনাত মৃত্যু হলে | :- ২,০০,০০০/- টকা (দুই লাখ) |
| **৫/ দুৰ্যোগত আঘাতপ্ৰাপ্ত হলে** | :- ৭৪,০০০/- টকা (৪০%ৰ পৰা ৬০% আঘাত প্ৰাপ্ত হ'লে) |
| | :- ২,৫০,০০০/- টকা (৬০% ৰ ওপৰত আঘাত প্ৰাপ্ত হ'লে) |

৬/ দুৰ্যোগত আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়ত থাকিব লগা হলে:-

| | |
|---|---|
| ক) এসপ্তাহ বা তাতকৈ অধিক দিন থাকিলে | :- ১৬,০০০/- টকা |
| খ) এক সপ্তাহতকৈ কম দিন থাকিলে | :- ৫,৪০০/- টকা |

৭/ দুৰ্যোগত ঘৰ-দুৱাৰৰ ক্ষতি হলে:-

| | |
|---|---|
| ক) ঘৰৰ সম্পূৰ্ণ/অতি বেয়াকৈ ক্ষতি হলে:- | |
| ১) কেচাঁ ঘৰ | :- ১,২০,০০০/- টকা |
| ২) পকা ঘৰ | :- ১,২০,০০০/- টকা |
| খ) ঘৰৰ আংশিক ক্ষতি হলে:- | |
| ১) কেচাঁ ঘৰ | :- ৪,০০০/- টকা |
| ২) পকা ঘৰ | :- ৬,৫০০/- টকা |
| গ) জুপুৰী ঘৰৰ ক্ষতি হলে | :- ৮,০০০/- টকা |
| ঘ) গোহালি (ঘৰৰ সৈতে সংযুক্ত) | :- ৩,০০০/- টকা |

৮/ দুৰ্যোগত পোহনীয়া জীৱ-জন্তুৰ মৃত্যু হলে:-

| | |
|---|---|
| ক) গৰু, ম'হ আদি ডাঙৰ জন্তুৰ বাবে | :- ৩৭,৫০০/- টকা |
| খ) ছাগলী, গাহৰি আদি সৰু জন্তুৰ বাবে | :- ৪,০০০/- টকা |
| ৯/ শস্য নষ্ট হ'লে:- | :-৮,৫০০/- ৰ পৰা ১৭,০০০/-টকা |

ইয়াৰ ওপৰিও তাঁতশাল, তাঁতশালৰ কেঁচা সামগ্ৰী, এৰি/মুগা পলু, মীন পালন কৰা নাও, পুখুৰী, জাল আদি নষ্ট হ'লে ক্ষতিপূৰণৰ ব্যৱস্হা আছে।

১০/ কভিদ-১৯ত আক্ৰান্ত হৈ মৃত্যু হোৱা ব্যক্তিৰ উত্তৰাধিকাৰীলৈ:-

| | |
|---|---|
| ক) ৰাজ্যিক দুৰ্যোগ সহাৰি পুঁজিৰ (SDRF) অধীনত | :- ৫০,০০০/- টকা |

**জিলা দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, শিৱসাগৰ**

**আপোনালোকৰ লগত সদায় আছে, অধিক তথ্য বা সহায়ৰ বাবে তলৰ নং কেইটাত যোগাযোগ কৰিব।**

**নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ:- ০৩৭৭২-১০৭৭ (ট'ল ফ্ৰী), ৮৪৭১৮-৬৪৩৫৫ (ম'বাইল), ০৩৭৭২-২২৩৩৯৭ (লেণ্ড লাইন)**

# বানপানী সাহাৰ্য শিবিৰত থাকিবলগীয়া/পালন কৰিবলগীয়া ব্যৱস্হা

- ১/সাহাৰ্য শিবিৰত এজন ভাৰপ্ৰাপ্ত বিষয়া নিয়োগ কৰা হয় ।
- ২/খোৱা সামগ্ৰী দিয়াৰ ব্যৱস্হা আছে ।
- ৩/শৌচাগাৰ, গা ধোৱা ঘৰ, অহা যোৱা কৰা ৰাস্তাত পৰ্য্যাপ্ত পোহৰৰ ব্যৱস্হা কৰা হয় ।
- ৪/বিশুদ্ধ খোৱা পানীৰ ব্যৱস্হা কৰা হয় ।
- ৫/কভিদ-১৯ সম্পৰ্কীয় বিধি সমূহ মানি চলিব লাগে । (মাস্ক পৰিধান কৰা, হাত ধোৱা, সামাজিক দূৰত্ব বজাই ৰখা আদি) ।
- ৬/ কভিদ-১৯ ৰ লগত সংগতি ৰাখি হাত ধোৱাৰ সু-ব্যৱস্হা থাকে ।
- ৭/পৰিস্কাৰ শৌচালয় ব্যৱস্হা কৰা হয় ।
- ৮/পুৰুষ মহিলাৰ বাবে পৃথক গা ধোৱা ঘৰৰ সু-ব্যৱস্হা কৰা হয় ।
- ৯/মহিলা/ছোৱালীৰ কাৰণে প্ৰয়োজনীয় চেনিটেৰী নেপকিনৰ ব্যৱস্হা থাকে ।
- ১০/দৈনিক চিকিৎসা শিবিৰৰ ব্যৱস্হা কৰা হয়।
- ১১/সুৰক্ষাৰ কাৰণে পুলিচৰ জৰিয়তে পহৰাৰ ব্যৱস্হা কৰা হয় ।
- ১২/শিশু, গৰ্ভৱতী মহিলা, স্তনপান কৰাই থকা মহিলা, বিশেষভাৱে সক্ষম লোক, বয়োবৃদ্ধ ব্যক্তি লগতে ৰোগাক্ৰান্ত লোকৰ কাৰণে বিশেষ ব্যৱস্হা লোৱা হয় ।
- ১৩/জাৱৰ জোথৰ নিস্কাষণৰ বাবে সু-ব্যৱস্হা লোৱা হয় ।
- ১৪/শিশু উমলা গৃহ/স্হানৰ (Child Friendly Space) লগতে স্তনপান কক্ষৰ ব্যৱস্হা থাকে ।
- ১৫/ছাত্ৰ ছাত্ৰীৰ বাবে শিক্ষা আৰু বিভিন্ন বিনোদন সম্পৰ্কীয় ব্যৱস্হা থাকে ।
- ১৬/প্ৰতিটো শিবিৰত Help Desk ৰ ব্যৱস্হা থাকে ।
- ১৭/শিবিৰত দিয়া খাদ্য বা অন্যান্য সামগ্ৰীৰ লগতে শিবিৰত আশ্ৰয় লোৱা লোকৰ সবিশেষ জাননী ফলকত সন্নিৱিষ্ট কৰা হয়।
- ১৮/শিবিৰত আশ্ৰয় লোৱাৰ আগত ইয়াৰ গাঁঠনি লগতে সাম্ভাব্য দুৰ্যোগৰ সন্দৰ্ভত সুৰক্ষা সন্দৰ্ভীয় ব্যৱস্হা সংশ্লিষ্ট বিভাগৰ দ্বাৰা নিশ্চিত কৰা হয় ।
- ১৯/খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়া প্ৰতিটো শিবিৰত থাকি যাৱতীয় ব্যৱস্হা গ্ৰহণ কৰে।
- ২০/আশ্ৰয় শিবিৰত থকা লোকসকলৰ জীৱ জন্তুৰ কাৰণে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ যোগেদি পশু খাদ্য আৰু পশু থকাৰ কাৰণে অস্হায়ী চালিৰ ব্যৱস্হা কৰা হয় ।
- ২১/শিবিৰত পোৱা আৰু দিয়া সকলো সামগ্ৰী, খাদ্য বস্তু আদিৰ কাৰণে Stock Register ৰ ব্যৱস্হা কৰা হয় ।

**বানপানী সাহাৰ্য শিবিৰৰ বাহিৰত থকা বা অস্হায়ী শিবিৰ বা বিশেষ কাৰণত শিবিৰত আশ্ৰয় লব নোৱাৰা বা ঘৰত থকা বানাক্ৰান্ত লোক সকলৰ বাবেও তলত উল্লেখ কৰা ব্যৱস্হা/সুবিধা সমূহ আছে**

- ১/সাহাৰ্য সামগ্ৰী বিতৰণ কেন্দ্ৰৰ যোগেদি খাদ্য সামগ্ৰী দিয়া হয় ।
- ২/শিশু খাদ্য বিতৰণ কৰা হয়, খোৱা পানীৰ ব্যৱস্হা কৰা হয় ।
- ৩/চিকিৎসা শিবিৰৰ জৰিয়তে স্বাস্হ্য পৰীক্ষাৰ ব্যৱস্হা কৰা হয় ।
- ৪/ব্লিচিং পাউদাৰ, ফেনাইল, পানী বিশুদ্ধিকৰণৰ বাবে হেলজেন টেবলেট আদি দিয়া হয় ।
- ৫/প্ৰয়োজন অনুসৰি অন্যান্য যাৱতীয় সা-সুবিধা প্ৰদান কৰা হয় ।

**জিলা দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, শিৱসাগৰ**
**আপোনালোকৰ লগত সদায় আছে, অধিক তথ্য বা সহায়ৰ বাবে তলৰ নং কেইটাত যোগাযোগ কৰিব।**
**নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ:- ০৩৭৭২-১০৭৭ (টোল ফ্ৰী), ৮৪৭১৮-৬৪৩৫৫ (ম'বাইল), ০৩৭৭২-২২৩৩৯৭ (লেণ্ড লাইন)**

# বানপানীৰ সময়ত লব লগা সাৱধানতা

**বানপানীৰ আগত:-**

- নিৰাপদ সংকেট ধ্বনি শুনাৰ লগে লগে উপযোগী শুকান খোৱা খাদ্য, শিশুৰ খাদ্য আৰু বিশুদ্ধ পানী লগত লৈ নিৰাপদ স্হানত অৱস্হান কৰক।
- ঘৰচীয়া জীৱ জন্তুবোৰ ওখ ঠাইত ৰাখি যথেষ্ঠ পৰিমাণে আহাৰ যোগান ধৰক ।
- ঘৰৰ খাদ্যবস্তু আৰু ঘৰুৱা সামগ্ৰীবোৰ নিৰাপদে ৰখাৰ ব্যৱস্হা কৰক ।
- সঘনাই ৰেডিঅৰ পৰা আগজাননীবোৰ শুনি থাকক ।

**বানপানীৰ সময়ত:-**

- পানীত "হেলজেন" টেবলেট দি পানী পৰিশোধন কৰক আৰু তাৰ পিছতহে পানী খাওঁক। টেবলেট দিয়াৰ কমেও আধা ঘন্টাৰ পাছতহে সেই পানী ব্যৱহাৰ কৰক।
- বিষাক্ত সাপৰ পৰা সাৱধানে থাকক ।
- চাৰিওফালৰ পৰা পৰিবেশ পৰিস্কাৰ কৰি ৰাখক ।
- সকলো সময়ত সৌচাগাৰ ব্যৱহাৰ কৰক ।
- ডায়েৰীয়া হাগনি হ'লে উতলাই চেচা কৰা পানীত "অ আৰ এচ" (ORS) মিহলাই সেই পানী খাওক ।
- বানপানীৰ সময়ত নৈ বা বোঁৱতী সুঁতি পাৰ হবলৈ চেষ্টা নকৰিব আৰু বানাক্ৰান্ত এলেকাত নাসাঁতুৰিব।
- বানপানীত ডুবি থকা ট্ৰান্সফৰ্মাৰ/বৈদ্যুতিক খুঁটা/বৈদ্যুতিক তাঁৰ আদিৰ পৰা সাৱধান থাকক ।
- বানপানীৰ সময়ত শিশু ল'ৰা/ছোৱালীবোৰ আটাইতকৈ দুৰ্যোগ প্ৰৱণ হয়, সেয়েহে, বাঢ়নী পানীত শিশু/ল'ৰা ছোৱালীবোৰ খেলিব নিদিব ।
- আকস্মিকভাৱে কোনো ব্যক্তি পানীত পৰিলে সাৱধানতাৰে, নিদিষ্ট কৌশল ব্যৱহাৰ কৰিহে উদ্ধাৰৰ বাবে আগবাঢ়িব অথবা তেনে কায্যত পাকৈত ব্যক্তিৰ সহায় ল'ব।
- যিকোনো জৰুৰীকালীন খবৰ/ সহায়ৰ বাবে নিম্নলিখিত জিলা প্ৰশাসনৰ টোল ফ্ৰি নম্বৰত যোগাযোগ কৰক ।

**বানপানীৰ পাছত:-**

- বানপানী শুকাই যোৱাৰ লগে লগে মাখিৰ উৎপত্তি আৰু খোৱা পানী দুষিত হ'ব পাৰে । পানী দূষিত হ'লে নিম্নলিখিত ৰোগ সমূহ হোৱাৰ ভয় থাকে। যেনে- ক'লেৰা বা হাইজা, ডিচেন্ত্ৰী বা গ্ৰহণী, ডায়েৰিয়া, জন্দিছ আদি ।

**বানপানী হৈ থকা সময়ত কি কৰিব লাগে:-**

- ✓ খোৱা পানী, গাখীৰ আদি খোৱাৰ আগতে ভালদৰে উতলাই ল'ব লাগে ।
- ✓ কুৱাৰ পানীত ব্লিচিং পাউদাৰ , পটাচ আদি দি বীজানুমুক্ত কৰিব লাগে । (১ লিটাৰ পানীত ৪ চামুচ ব্লিচিং পাউদাৰ মিহলাওক)
- ✓ জাৱৰ জোঠৰ, ল'ৰা ছোৱালীৰ শৌচ আদি নিলগত দকৈ পুতিব লাগে ।
- ✓ শৌচ, বমি আদি হ'লে তৎক্ষভাত ওচৰৰ স্বাস্হ্যকেন্দ্ৰত ডাক্তৰৰ পৰামৰ্শ লৈ যাৱতীয় চিকিৎসাৰ ব্যৱস্হা কৰিব লাগে ।
- ✓ শাক পাছলি ভালদৰে পৰিস্কাৰ কৰি সিজাই খাব লাগে ।
- ✓ খোৱা বাচন-বৰ্ত্তন ভালদৰে পৰিস্কাৰ কৰি ল'ব লাগে ।
- ✓ পৰিস্কাৰ পৰিচ্ছনতাৰ প্ৰতি সদায় চকু ৰাখিব লাগে ।
- ✓ খোৱাৰ আগতে আৰু শৌচ কৰাৰ পাছত হাত চাবুনেৰে ধুই পৰিস্কাৰ কৰি ল'ব লাগে ।

**বানপানী হৈ থকা সময়ত কি কৰিব নালাগে:-**

- ❖ যতে ততে শৌচ নকৰিব ।
- ❖ মুকলিকৈ ৰখা ভজা বস্তু আদি নাখাব ।
- ❖ নদী বা পুখুৰীত ৰোগীৰ শৌচ, বমি আৰু মলিয়ন কাপোৰ আদি নুধুব ।

**জিলা দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, শিৱসাগৰ**

**আপোনালোকৰ লগত সদায় আছে, অধিক তথ্য বা সহায়ৰব বাবে তলৰ নং কেইটাত যোগাযোগ কৰিব।**

**নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ:- ০৩৭৭২-১০৭৭ (ট'ল ফ্ৰী), ৮৪৭১৮-৬৪৩৫৫ (ম'বাইল), ০৩৭৭২-২২৩৩৯৭ (লেণ্ড লাইন)**